

ASSAM FINE ARTS & CRAFTS SOCIETY

GAUHATI ARTISTS' GUILD PRESENT

exhibition of paintings

# HEMANTA MISRA



STATE ART GALLERY
RABINDRA BHAWAN, GUWAHATI
10TH-15TH FEBRUARY, 2009

In collaboration with
Directorate of Cultural Affairs, Guwahati, Assam



# এটা গানৰ প্ৰতিধ্বনি

নীলমণি ফুকন

শ্ৰীযুত হেমন্ত মিশ্ৰৰ ছবিৰ জগতখন— অতিপ্ৰাকৃত ৰূপ আৰু ভীষণ উজ্বল ৰহস্যময় বৰ্ণৰ, সপোনৰ এখন নিস্তব্ধ জগত। তেখেতৰ ছবিৰ সপোনে, ছয়াময়া দিঠকে দৰ্শকৰ চেতন-অচেতন জীৱন একাকাৰ কৰি তোলে। নিয়ন্ত্ৰণহীন সচেতন মনৰ,— স্বপ্ন-স্মৃতি-বিযাদ-আনন্দৰ-কল্পনাৰ অবাধ মুক্ত শৈল্পিক অভিব্যক্তিয়ে আমাৰ সন্মুখত মেলি ধৰে অন্য এক বাস্তৱৰ গোপন অন্তৰ্লোকৰ দুৱাৰ। য'ত দৰ্শকে সকলো বস্তুকেই অন্তৰ্দৃষ্টিৰে চালেহে দেখা পায়; য'ত যুক্তিৰে নহয়, কল্পনা আৰু অভিজ্ঞতাৰেহে সকলো বস্তুকেই উপলব্ধি কৰিব পাৰি।

অতিবাস্তৱবাদী শিল্প দৰ্শনৰ এজন প্ৰধান ভায্যকাৰে দেখুৱাইছে, মানুহৰ মানসিক জীৱনটো দুটা স্তৰত বা তলত বিভক্ত। এটা নিৰ্দিষ্ট আৰু দৃশ্যমান, আনটো অস্পষ্ট, নিমজ্জিত (submerged) আৰু অনিৰ্ণীত (interminate)। আমাৰ মানসিক জীৱনৰ এই দ্বিতীয় স্তৰটোৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু আয়তনক উপলব্ধি আৰু প্ৰকাশ কৰাই অতিবাস্তৱবাদী শিল্প দৰ্শনৰ মূল কথা বুলি কোৱা হৈছে। মিশ্ৰৰ ছবি মানুহৰ এই মানসিক জীৱনৰ অস্পষ্ট নিমজ্জিত অনিৰ্ণীত অংশটোৰ অভিব্যক্তি।

এটা প্ৰশ্ন হ'ব পাৰে,- ছবি আঁকা বা নআঁকা আমাৰ প্ৰত্যেকৰেই একোখন নিজস্ব অন্তৰ্জগত আছে। কাৰো ব্যক্তিগত অন্তৰ্জগতেই কাৰো সতে একে নহয়। তেনেহ'লে কিয় আমি মিশ্ৰৰ-স্বপ্ন-দিবা স্বপ্ন-দুঃস্বপ্নৰ অন্তৰ্জগতখনৰ ছবি চাই ভাল পাওঁ? বাৰে বাৰে চাওঁ? প্ৰত্যেকৰে ব্যক্তিগত অন্তৰ্জগতখন সুকীয়া সুকীয়া হ'লেও- সিবোৰৰ মাজত ক'ৰবাত ততালিকে চকুত নপৰা বিধৰ এটা যোগসূত্ৰ, এটা আত্মীয়তা আছে। বেলেগ বেলেগ মানুহ হ'লেও আমি ইজনৰ পৰা সিজন নিলগত নেথাকো, একেবাৰে নিলগাই নেভাবো। আমাৰ প্ৰত্যেকৰে একোটা ব্যক্তিগত, একোটা সামাজিক-সাংস্কৃতিক অতীত আৰু অস্তিত্বও আছে। আমাৰ অভিজ্ঞতাৰো এটা বুজন অংশ উমৈহতীয়া। বাস্তৱে, বাস্তৱ ঘটনাই আমাৰ মনত দিনৌ যি প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে তাৰো ভালেখিনি সমূহীয়া চৰিত্ৰৰ। তাৰ উপৰিও, আমাৰ সকলোৰে মনৰ গঠন প্ৰক্ৰিয়া প্ৰায় একে ধৰণৰ আৰু আমাৰ মনবোৰ প্ৰায় একে ধৰণেই গঢ় লোৱা। আমি কল্পনা কৰিব পাৰো, আমাৰ স্মৃতি আছে, আমি সকলোৱেই সপোন দেখো, সপোনৰ ভাষাৰ কিবা মৰ্ম উলিয়াই আনন্দ পাওঁ বা ভয় খাওঁ। সাধুকথাৰ উদ্ভট কল্পনাই আমাক কিয় মুগ্ধ কৰে?

আমাৰ ব্যক্তিগত অন্তৰ্জগতখন কথা আমি জানিবলৈ বিচাৰো বা নিবিচাৰো আমাৰ অজ্ঞাতেই অহৰহ দিনৌ আমাৰ বহু অভিজ্ঞতা এই অন্তৰ্জগতখনৰ অতল তলিত সঞ্চিত হ'ব লাগিছে। আৰু যেতিয়াই কেতিয়াবা হঠাৎ সেই অভিজ্ঞতাবোৰ স্মৃতি আৰু কল্পনাৰ মাজেৰে- সপোনৰ ভাষাৰে - কবিতা বা ছবিত প্ৰকাশিত হৈ উঠা দেখো, তেতিয়াই সিবোৰৰ মাজত আসি আমাক নতুনকৈ পোৱা যেন লাগে।

হেমন্ত মিশ্ৰৰ কোনোখন ছবি তেখেতৰ মনৰ এটা বিশেষ অৱস্থা বা মুডৰ ওপৰত নিৰ্ভৰশীল। এটা অৰ্থত মিশ্ৰও এজন বাস্তৱবাদী শিল্পী। তেখেতৰ বাস্তৱ কাল্পনিক বাস্তৱ, পৰম বাস্তৱ, ছবিৰ বাস্তৱ, চিত্ৰ সত্য।

মিশ্ৰৰ নিসৰ্গ, বৰ্ণই আমাক মনত এক কাব্যিক মুডৰ, - ৰ'দ, আন্ধাৰ, ছায়া জোনাকৰ ৰহস্যময় ভাবানুভূতিৰ সঞ্চাৰ কৰে। তেখেতৰ এখন সাৰ্থক চিত্ৰ এটা গানৰ প্ৰতিধ্বনিত আমি শুনিবলৈ পাওঁ নীলা সেউজীয়াৰ ব্যাকুল কণ্ঠস্বৰ। এটা ফুলৰ তোৰা স্পৰ্শ কৰি থকা অদৃশ্য কোনো নাৰীৰ নগ্ন নিৰ্জন এখন দীঘল হাত। কাৰ কি গানৰ নামত উৎসৰ্গিত হ'ল এই পুস্প গুচ্ছ? যি গান কেতিয়াবাই শেষ হ'ল।

মিশ্ৰৰ কোনো কোনোখন ছবিত শূন্যস্থানৰ এটা বিশেষ ভাবগত আৰু নান্দনিক তাৎপৰ্য আছে। আৰু শূণ্য বুলিলেই নিৰ্জনতা আছে। দৰ্শকৰ আৱেগিক প্ৰতিক্ৰিয়া তীব্ৰতৰ কৰি তুলিবলৈ তেখেতৰ ছবিত গভীৰ পৰিপ্ৰেক্ষিত ব্যৱহাৰ কৰিছে। তেখেতৰ হাতত শূন্যতা ছন্দোময় গুঞ্জনময় সৌন্দৰ্যলৈ ৰূপান্তৰিত হৈছে। বৰ্ণৰ পোহৰ আৰু আন্ধাৰে এই শূন্যতাক ৰহস্যময় কৰি তুলিছে। এই বিশাল শূন্যতাত দৰ্শকে হয়তো নিজেই নিজক, আনক- নিজৰ বা আনৰ অতীতক, বৰ্তমানক, কেতিয়াবা আন্ধাৰত কেতিয়াবা পোহৰত বিচাৰিছে, অথবা নিজেই নিজৰ সমুখত যেন মুগ্ধ হৈ থিয় দিছে।

মন কৰিবলগীয়া কথা, - তেখেতৰ ছবিৰ ইমেজবোৰ এই শূন্যতাৰ পৰাই ওলাই আহিছে আৰু এই শূন্যতাৰ বতাহ আন্ধাৰ পোহৰৰ লগত অন্বিত হৈ পৰিছে।

চিত্ৰগত (pictorial) উপাদানৰ ভিতৰত বৰ্ণই আটাইতকৈ মনোধৰ্মী চৰিত্ৰৰ। মিশ্ৰৰ নীলা সেউজীয়া, হালধীয়াৰ আবেগিক বৈভৱে আমাক বিহ্বল, আত্মমগ্ন কৰে। তেখেতৰ সেউজীয়া আৰু নীলাত এটা তন্ময়তা আছে - ক'ৰবাত ক'ৰবাত তেখেতৰ সেউজীয়া নীলাই মনলৈ নিঃসঙ্গতা, বিযন্নতাৰ ভাব আনে।

তেখেতৰ আন এখন স্মৰণীয় ছবি ছেদ' আপন টাইমৰ পৰিত্যক্ত এটা দূৰ্গৰ প্ৰাঙ্গণৰ নিৰ্জনতাত আমিও নিস্তব্ধ হৈ পৰো। পুৰণি দূৰ্গটোৰ দুখন প্ৰাচীৰৰ মাজেৰে সেউজীয়া হালধীয়া আকাশৰ পৰ্বতীত বৈ থকা অশ্বাৰোহী সুঁতিটো আৰু কুঁচি-মুচি থিয় দি থকা মানুহগৰাকীৰ ছাঁটোৱে আমাৰ মনত এক ৰহস্যানুভূতিৰ সঞ্চাৰ কৰে।

মিশ্ৰৰ কোনোখন ছবিত থকা দীঘল ছাঁ, আন্ধাৰ-পোহৰত কিবা এটা শঙ্কা, কিবা এটা ভয়ৰ ব্যঞ্জনা অনুভৱ কৰা যায়। মিশ্ৰ ভালেকেইখন ছবিৰ প্ৰতীক বা ইমেজৰ সতকাই মৰ্মোদ্ধাৰ কৰা টান। কিন্তু এই প্ৰতীক বা ইমেজবোৰৰ মৰ্মোদ্ধাৰ নকৰাকৈও তেখেতৰ ছবি উপলব্ধি উপভোগ কৰিব পাৰি।

আধুনিক ছবি এখনৰ নান্দনিক গুণ নিহিত থাকে তাৰ ৰূপ আৰু বৰ্ণৰ সুষমাত। ছবি চাবলৈ যাওতে আমি প্ৰায়ে এই কথাটো পাহৰি যাওঁ। তাতে তেখেতৰ কোনোখন ছবিয়েই সম্পূৰ্ণ বিমূৰ্তধৰ্মী চৰিত্ৰৰ নহয়। মিশ্ৰই ব্যৱহাৰ কৰা প্ৰতীক ইমেজবোৰো, - যথা আকাশ, সাগৰ গছ, চৰাই, ফুল, স্থাপত্য, ভাস্কৰ্য আমাৰ কাৰো অপৰিচিত নহয়। অৱশ্যে বিশেষ স্থান আৰু কালত সিবোৰৰ অৱস্থান, ৰস আৰু বৰ্ণৰ অভিব্যক্তি দেখি কেতিয়াবা দৰ্শক চমক খাই থমকি ৰ'ব পাৰে। উল্লেখযোগ্য, মিশ্ৰৰ প্ৰতীক ইমেজবোৰৰ একোটাহঁত মানৱিক পৰিপ্ৰেক্ষিতো আছে।



**Echo of a Song,**Oil on Canvas,86 cm x 63 cm,1973



# শিল্পী হেমন্ত মিশ্ৰৰ কথা

ড০ ভূপেন হাজৰিকা

মোৰ বুকু ফুলি উঠিছে আমাৰ 'ছালভাদৰ ডালি'
শিল্পী হেমন্ত মিশ্ৰৰ কথা
লিখিবলৈ পাই—

## ভাৰতৰ একমাত্ৰ স্যুৰৰিয়েলিষ্টৰ সাফল্য

" বিশাল নীলা আকাশ —
অভিনৱ টিলিঙা এটি দোদুল্যমান —
মাংসবিহীন অস্থিচৰ্মসাৰ হাতেৰে
কোনোবাই ইংগিত দিছে
কম বয়সীয়াৰ বাবে ই যেন এটি ফ্ৰয়ডিয়ান
নিশাৰ সপোনৰ পৰা সাৰ পোৱাৰ অনুভূতি ?
পূৰঠ মস্তিষ্কৰ বাবে ই এক মহান অভিজ্ঞতা
তেওঁ এজন বিপ্লৱী—
আকৃতি অংকন নকৰে, কৰে আকাৰ সৃষ্টি
জীৱনক তেওঁ নকল নকৰে
জীৱনৰ সমপৰ্যায়ৰ সত্যক বিচাৰি ফুৰে -
হেমন্ত মিশ্ৰ এজন বিপ্লৱী শিল্পী -
ভাৰতৰ চিত্ৰকলাৰ মানচিত্ৰত অসমক ডাঙৰ
আসন দিব পাৰিছে অকল হেমন্ত মিশ্ৰইহে -"

এয়া মোৰ অনুবাদহে। ওপৰৰ কথাখিনি বোম্বেৰ নিউজ অব ইণ্ডিয়া কাকতৰ কলা সমালোচকে ইংৰাজীত লিখিছে ১৯৭০ চনৰ জানুৱাৰীৰ আঠ তাৰিখে। জাহাঙ্গীৰ আৰ্ট গেলেৰীত আমাৰ অসমৰ শিল্পী হেমন্ত মিশ্ৰৰ একক চিত্ৰ প্ৰদৰ্শনী দেখি। যাৰে তাৰে প্ৰদৰ্শনী জাহাঙ্গীৰ আৰ্ট গেলেৰীত নহয়। বোম্বেৰ এই বিখ্যাত জাহাঙ্গীৰ আৰ্ট গেলেৰীত জানুৱাৰীৰ ৯ তাৰিখৰ পৰা ১৫ তাৰিখলৈ দিনৰ ১০ বজাৰ পৰা সন্ধিয়া ৮ বজালৈ মিশ্ৰৰ চিত্ৰ চাবলৈ অহা দেশী- বিদেশী শিল্পানুৰাগীৰ প্ৰচুৰ সমাগম হৈছিল। নহ'ব কিয় ? মিশ্ৰ যে ভাৰতৰ একমাত্ৰ আৰু সবাতোকৈ আগবঢ়া স্যুৰৰিয়েলিষ্ট শিল্পী। নহ'লে নতুন দিল্লীৰ নেশ্যনেল গেলেৰী অব্ মডাৰ্ণ আৰ্টৰ সঞ্চালক প্ৰদোষ দাসগুপ্তাই কেলেই কৈছে ঃ *" To my mind Hemanta Misra is the only Surrealistic painter of our country who has contributed significantly in his new direction."*- এৰা, মিশ্ৰ ভাৰতৰ একমাত্ৰ স্যুৰৰিয়েলিষ্ট শিল্পী। আমি জনাত পৃথিৱীৰ সবাতোকৈ প্ৰসিদ্ধ স্যুৰৰিয়েলিষ্ট শিল্পী হ'ল ছালভাদৰ ডালি। মিশ্ৰৰ সৃষ্টিসমূহেও ডালিৰ *'Mystic Message'* আৰু *'abstract harmony'* যেন বহন কৰে। ৰঙৰ ব্যৱহাৰত মিশ্ৰই অভিনৱভাৱে যেন এটি *gradual unfolding* অৰ প্ৰভাৱ পেলায়। মিশ্ৰৰ এই কেইটা গুণ আমাৰো চকুত পৰিছে।

১৯১৭ চনত অসমত জনমি, কটন কলেজ, ছেইণ্ট এড্মাণ্ডছ কলেজত পঢ়ি, ১৯৮৩ চনত সৈন্য বিভাগত ষ্টাফ শিল্পী হৈ (জন হাচাল *R.I. Commission* পাই) অসম চৰকাৰৰ প্ৰচাৰ বিভাগত থাকি, গগাঁই টাহিটিক তুলিৰে অমৰ কৰাৰ দৰে, মিশ্ৰই খাছী পাহাৰক ৰঙেৰে পটত আবদ্ধ কৰি আজি তেওঁ কলিকতাৰ *Queen of the Missions Convent*অত শিক্ষা দিয়ে আৰ্টৰ। ই এজন অসমীয়া শিল্পীৰ ৪৬ বছৰীয়া সংগ্ৰামৰ পৰিচয়। সংগ্ৰাম আৰু নীৰৱ সাধনা কৰি ১৯৫২, ৫৯, ৬৭ত কলিকতাৰ (বিখ্যাত কেলকাটা গ্ৰুপৰ সভ্য হৈ), ট্ৰিয়েনালে অব্ কনটেমপৰেৰীৰ ৱৰ্ল্ড আৰ্ট-অত ১৯৬৮ চনত আৰু বাহিৰত ইউনিয়ন অব্ পেইণ্টাৰ্ছ সংগঠনত থকা বিভিন্ন প্ৰদৰ্শনীৰ যোগেদি হেমন্ত মিশ্ৰৰ সৃজনী প্ৰতিভাই সহস্ৰ সহস্ৰ কলাপ্ৰেমীক মুহিছে। মিশ্ৰই নিজেই নিজক গঢ়িছে। আমাৰ কৈশোৰত শ্বিলঙত আমি মিশ্ৰক দেখা মনত আছে। হাতত এখন সৰু স্কেচ বুক, এডাল পেঞ্চিল আৰু প্ৰকৃতিৰ জগতখনক, মানুহৰ অনুভূতিৰ জগতখনক জনা আৰু ৰেখাৰে চিৰযুগমীয়া কৰাৰ এক দুৰ্বাৰ তৃষ্ণা। সেয়ে আছিল হেমন্ত মিশ্ৰ। সম্ভাৱনাপূৰ্ণ হেমন্ত। সেই সম্ভাৱনাই আজি বাস্তৱত পৰিপূৰ্ণতা লাভ কৰাটো এটা আনন্দৰ বাতৰি। তেওঁৰ উন্নতি অসমৰ উন্নতি বুলি আমি সান্ত্বনা লভিয়েই ক্ষান্ত থাকিলে ভুল হ'ব। হেমন্ত মিশ্ৰ অসমৰ অসমীয়া শিল্পী। হেমন্ত মিশ্ৰৰ বাবে অসমে কি কৰিছে? মিশ্ৰই হয়তো অসমৰ পৰা একো নিবিচাৰে। অসমৰ কৰ্তব্যবোধ ক'লৈ গ'ল ? অসমৰ বাহিৰত সংগ্ৰাম কৰি থকা অসমীয়া শিল্পীসকলৰ প্ৰতি অসমৰ ৰজাৰ-ৰাইজৰ কৰ্তব্য নাই জানো ? যাওক সেইবোৰ কথা।

হেমন্ত মিশ্ৰৰ সত্তাৰ অণু-পৰমাণুত অসমৰ সৌন্দৰ্য সোমাই আছে। নহ'লে বোম্বেৰ 'ছানডে ষ্টেণ্ডাৰ্ডে' লিখেনে, "এই কবিতাময় প্ৰতিভা, মিশ্ৰৰ শিল্পী জীৱনলৈ আনি দিছে, নিশ্চয়, অসমৰ সুন্দৰ পাহাৰ আৰু উপত্যকাৰ ৰহণে—" মিশ্ৰৰ আৰু এটি বিশেষত্ব হ'ল তেওঁৰ আঢ়ৈ কুৰি তিনি বছৰীয়া জীৱনটোৰে স্যুৰৰিয়েলিজমৰ ৰাজ্যত প্ৰৱেশ কৰিছেহি 'কিউবিজম'ৰ মাজেদি। এৰা, ৰিয়েলিজমৰ পাছত পিকাছোৰ বাটেদি 'ছালভাদৰ ডালি'ৰ বাট।

"আপোনাৰ পৰা বোম্বেৰ শিক্ষাৰ্থীসকলে বহুতো শিকিবলগীয়া আছে।" বুলি ক'লে বোম্বেৰ জে জে কলেজ অ ব্ আৰ্টৰ প্ৰাক্তন ডীন, শিল্পী শ্ৰীআডুৰকাৰে।

ভিজিটৰ বুকখন মেলিলে মিশ্ৰৰ ছবিৰ প্ৰশংসা পাব কত ধৰণৰ। এগৰাকী মহিলা শিল্পীয়ে লিখিছে *"Eye ful. Enjoyed it so much"*- বিখ্যাত শিল্পী আলমেকাৰে একে আষাৰে কৈছে-*"Dreamland"*। মস্কোৰ ষ্টেট মিউজিয়াম অব্ অৰিয়েণ্টেল আৰ্টৰ শ্ৰীমতী কাৰপোভাই লিখিছে -"সুন্দৰ চিত্ৰ - অদূৰ ভৱিষ্যতেও যেন মস্কোত আপোনাৰ ছবি আকৌ দেখা পাওঁ।"

ভাৰতৰ প্ৰখ্যাত ভাস্কৰ টি এইচ কামাথে লিখিলে- *"A quaint lyricism of melancholy blue."* ।

হায়দৰাবাদৰ শ্বালাৰ ই মিউজিয়ামৰ সঞ্চালকে লিখিছে - *"have a very significant existence on canvas."* ।

বোম্বে হাইকোৰ্টৰ বিখ্যাত আইনজীৱী, কলাপ্ৰেমী শ্ৰীমতী কোলবাৱালাই লিখিলে- *"Perfect blend of the Modern Art with the ancient and eternal thought and feelings."*

জনৈক শিল্পীয়ে লিখিলে- "মিশ্ৰৰ ছবি এক আধ্যাত্মিকতাৰ পৰিচয়।" আন এজনে ক'লে "সপোনপুৰীৰ পৰা পোনে পোনে কেনভাছলৈ।"

ফিল্ম জগতৰ জয়ৰাজে লিখিছে - "আজি মই দেশত এগৰাকী স্যুৰৰিয়েলিষ্ট শিল্পী পালোঁ। মই এই গেলেৰীত মিশ্ৰৰ ছবি চাই অতি আনন্দিত।"

তাৰ পাছত বোম্বে মহানগৰীৰ বুকুত মহাৰাষ্ট্ৰ চৰকাৰৰ পৃষ্ঠপোষকতাত গঢ়ি উঠা কলা নগৰলৈ প্ৰখ্যাত শিল্পী ভি আৰ আম্বেদকাৰে মিশ্ৰক আমন্ত্ৰণ জনালে। জে জে কলেজে আমন্ত্ৰণ জনালে। মিশ্ৰৰ সৈতে জে জে কলেজৰ এতিয়াৰ ডীন শ্ৰীপালিচকাৰ আৰু অধ্যাপকসকলে আৰ্টৰ সম্বন্ধে দীঘলীয়া আলচ কৰি ভৱিষ্যতে চিত্ৰ-প্ৰদৰ্শনীত মিশ্ৰৰ ছবি বিচাৰিলে। *Bombay Art Society*- য়ে ফেব্ৰুৱাৰী মাহত হোৱা বাৰ্ষিক প্ৰদৰ্শনীত মিশ্ৰৰ ছবি বিচাৰিলে। আন্তৰ্জাতিক শিল্পী প্ৰদৰ্শনীত প্ৰদৰ্শিত *Extinguished flame* নামৰ মিশ্ৰৰ উচ্চপ্ৰশংসিত তৈলচিত্ৰখনৰ উপৰিও মিশ্ৰ কেইখনমান অন্যান্য কেনভাছ হ'ল ঃ অনুপস্থিত আকাশৰ এক মৰীচিকা - সেউজ সোণলৈ ৰূপান্তৰ -ধুমুহাতো জীৱনৰ বস্ত্ৰ বৈছোঁ- এই পাহৰা গীত-এটি ৰঙেৰে লিখা কবিতা - গলি যোৱা ঈশ্বৰক বিচাৰি-আৰু আদিম বতাহ। মন কৰিব, শিল্পী মিশ্ৰৰ চিত্ৰ সৃষ্টিৰ নামকৰণতেই এই মিষ্টিক, আধ্যাত্মিক অৰ্থ সোমাই আছে। মিশ্ৰ চিন্তাশীল কলাপ্ৰেমীৰহে শিল্পী।

মিশ্ৰ অসমৰ সুপুত্ৰ। ভাৰতৰ সুপুত্ৰ। তেওঁ সংগ্ৰাম কৰে নীৰৱভাৱে। সাফল্য গ্ৰহণ কৰে গম্ভীৰভাৱে। সাধনা কৰে জীৱনৰ সকলো স্বাৰ্থ ত্যাগ কৰি। মিশ্ৰই পাওক আৰু সন্মান, মিশ্ৰই কৰক আৰু অভিনৱ সৃষ্টি, মিশ্ৰই পাওক এটি সুস্থ দীৰ্ঘ আয়ুস। এয়ে আমা অন্তৰৰ কামনা। হেমন্তৰ জীৱনত বসন্ত চিৰবিৰাজমান হওঁক।

*--- AN ARTIST MUST LIVE WITH*
*HIS TIME AND ITS CHANGES---*

- আজি প্ৰায় একুৰি বছৰ আগৰ কথা। কোনো এজন বিখ্যাত নেতাই শ্বিলঙত বক্তৃতা দিছে। বহুতো মানুহ। বিষ্ণু প্ৰসাদ ৰাভা আৰু ময়ো শুনিছোঁ সেই বক্তৃতা। এজন চফল ডেকাই ভিৰৰ মাজত থাকিও সৰু বহী এখনত আপোন মনে সেই নেতাগৰাকীৰ স্কেচ কৰিছে। ছবি

আঁকাটোৱেই যেন তেওঁৰ জীৱনৰ পণ-অনন্ত সাধনা! ৰাভাদেৱে স্কেচ্ চাই ক'লে 'অপূর্ব হাত এওঁৰ'। চালোঁ সঁচাকৈয়ে সুন্দৰ। নেতাগৰাকীক তেওঁৰ প্ৰতিকৃতি দেখুওৱাত শিল্পীজনক হাত বুলাই ক'লে 'সুন্দৰ'-এটি অটোগ্ৰাফ দিলে। সেই শিল্পীৰ স্কেচ্ বুকখন আমি চোৰাত দেখিলোঁ- 'শ্বিলঙীয়া' জীৱনৰ প্ৰতিটো মুহূৰ্তৰ ৰূপ যেন পাতে পাতে ধৰা পৰিছে। সকলো ছবি মুহূৰ্তত আঁকা। সেই ডেকা শিল্পীজনেই আমাৰ অসমৰ হেমন্ত মিশ্ৰ।

কলিকতাৰ পাৰ্ক চাৰ্কাছৰ ওচৰৰ বাসস্থানত আকৌ দেখা কৰিলোঁ সেই শিল্পীগৰাকীক। তেওঁ এতিয়া ভাৰতৰ হেমন্ত মিশ্ৰ। কলিকতাৰ বিখ্যাত কনভেণ্ট অব্ লেডী কুইন অব ডি মিছনৃছত আৰ্টৰ অধ্যাপক। ভাৰতৰ বিখ্যাত 'কলিকতা গ্ৰুপ'ৰ সভ্য। কলিকতাৰ শিল্পীচামে হেমন্ত মিশ্ৰক লৈ আজি গৌৰৱ অনুভৱ কৰে ঃ

*Mr. Misra's pictures are alive and vital. He has a keen eye for subject allied to a vigorous and in his more recent work, experimental technique which may develop into a powerful mode of expression.* (ষ্টেট্‌ছমেন)। মিশ্ৰৰ চিত্ৰ সৃষ্টিত খাছী জীৱনৰ দৈনন্দিন ৰূপ অপূৰ্বভাৱে ধৰা পৰিছে। মিশ্ৰই নিজেও শ্বিলঙত জীৱনৰ সৈতে যুঁজিব লগা হৈছিল বাবেই বোধকৰোঁ, শ্বিলঙৰ অংকন পদ্ধতিতো অতি *Boldness* দেখা যায়। বিখ্যাত ভেন গফৰ পদ্ধতিৰ প্ৰভাৱ মিশ্ৰৰ ছবিত পৰিছে যদিও, নিজস্ব বৈশিষ্ট্য সম্পূৰ্ণৰূপে ৰাখিছে। শ্বিলঙৰ ধাননি পথাৰত কৰ্মৰত খাছী কৃষকৰ ছবি দেখি ষ্টেট্‌ছমেনে কৈছে - *'He is craftsman, as his preparation of a plywood with gelatin and sand for the rough surface of 'Harvest' proves a picture which brings Van Gogh's France to the field of Shillong most succesfully'---*

- চাহ আহিছে, খাওক।

-কোন চনত জন্ম আপোনাৰ, মিশ্ৰ?

-১৯১৭ চনত।

-শিক্ষা?

-কটন কলেজত, ছেণ্ট এডমাণ্ডছ কলেজত।

-ক'ত ক'ত কাম কৰিছিল?

-সামৰিক বিভাগত ষ্টাফ আৰ্টিষ্ট আছিলোঁ। অসম চৰকাৰৰ প্ৰচাৰ বিভাগতো কিছুদিন শিল্পী হিচাপে কাম কৰিছিলোঁ। বহুতো ঘাত-প্ৰতিঘাত-! নক'ব।

কলিকতাত আপোনাৰ *one man show* হোৱাৰ পিছতেই আপোনাক কলিকতা গ্ৰুপে' সভ্য কৰি লৈছে নেকি? কোন চনত?

হয়। ১৯৫৩ চনত।

মিশ্ৰ, মুলক্‌ৰাজ আনন্দ সম্পাদিত 'মাৰ্গ'ত আপোনাৰ বিষয়ে লিখিছিল -*'The works of Hemanta Misra are of realistic approach with a tendecy towards impressionism'.* আপোনাৰ ছবি বাস্তৱবাদী হোৱাৰ মূলতে কি বুলি আপুনি ভাবে?

-বোধকৰোঁ মোৰ জীৱন সংগ্ৰাম! মোৰ চিত্ৰাংকণ শিক্ষাও জীৱনৰ আৰ্ট স্কুলৰ পৰাই পোৱা।

কিয় আপুনি কোনো আৰ্ট স্কুলত পঢ়া নাই নেকি কেতিয়াও? প্ৰায় তেনেকুৱাই। শ্বিলঙত থাকি লণ্ডনৰ ৰয়েল একাডেমীৰ জন হেচেলৰ তলত ডাকযোগে কিছুদিন আৰ্ট শিকিছিলোঁ। পিছে জীৱনটোৱে নানাভাৱে মোৰ মনত তোলা প্ৰতিক্ৰিয়া বাৰ ছবিৰে প্ৰকাশ কৰাৰ কঠোৰ প্ৰচেষ্টা মই কৰি আহিছোঁ। সেই প্ৰচেষ্টাৰ পৰীক্ষাবোৰে মোক বেছি শিকালে!

এইবোৰ চাওক - এতিয়াৰ পৰীক্ষা—

তাৰ পিছত মিশ্ৰই এতিয়া আঁকা বহুতো ছবি চালোঁ। ৰঙ আৰু ৰেখাৰ অভিনৱ ব্যৱহাৰ। বিষয় বস্তুৰ ভৌগোলিক সীমাৰেখা নাই। সেই শ্বিলঙত থকা কালত আৰু যোৱা পাঁচ বছৰত মিশ্ৰই আঁকা ছবিবোৰতকৈ এই সৃষ্টিবোৰ যেন একেবাৰে বেলেগ আৰু পৰিপক্ক। আজি যেন নতুন হেমন্ত মিশ্ৰৰ জন্ম। ছবিবোৰ *Two dimensional* যেন দেখি, অথচ তাত *perspective*ৰ সম্পূৰ্ণ ব্যৱহাৰ। স্থান কাল ভেদি যেন অনন্তলৈ ধাউতি। অসমৰ আদিম কলাৰ প্ৰতীকবোৰে যেন এই ছবিবোৰত ভুমুকি মাৰিব খোজে- অথচ তাৰ *universality of appeal* আছে। অলংকাৰ আছে, অথচ তাৰ অৰ্থহীন প্ৰাচুৰ্য নাই। অনাৱশ্যকখিনিৰ ঠাই মিশ্ৰৰ এতিয়াৰ সৃষ্টিবোৰত যেন নাই। সচেতন আৰু বিচেতন মনত হোৱা দুয়োটা প্ৰতিক্ৰিয়াৰ অপূৰ্ব সমন্বয়ৰ ছবি। মিশ্ৰ আন্তৰিকতা আৰু জীৱননিষ্ঠা তেওঁৰ ব্যক্তিত্ব আৰু চিত্ৰ সৃষ্টি দুয়োটাই স্পষ্ট।

হেমন্ত মিশ্ৰ অসমৰ বা-বতাহ পাই অসমৰ মাটিত ডাঙৰ হোৱা শিল্পী। সেয়েহে অসমখন মিশ্ৰৰ বুকু আৰু তুলিৰ পৰা মচ খাব নোৱাৰে। অসমৰ বাহিৰৰ সমালোচকে মিশ্ৰৰ ছবি দেখি কয় ঃ 'অৰণ্য পৰ্বত প্ৰান্তৰৰ নিবিড়তাত প্ৰকৃতিৰ লীলা নিকেতন অসমৰ যি অতুলনীয় নৈসৰ্গিক ৰূপ মাধুৰ্যই যুগ যুগ মানুহৰ মুগ্ধ দৃষ্টিৰ সমুখত সপোনৰ মায়াজাল ৰচনা কৰি আহিছে, তৰুণ শিল্পী মিশ্ৰৰ তুলিকা স্পৰ্শত তাৰেই যেন এটি প্ৰাণৱন্ত প্ৰতিচ্ছবি সমগ্ৰ প্ৰদৰ্শনীত ৰেখাই ৰেখাই ফুটি উঠিছে' (অমৃত বজাৰ পত্ৰিকা)

- 'অসমৰ পথাৰ ঘাট, পাহাৰ, প্ৰকৃতিৰ সৈতে তেওঁৰ যি জীৱন্ত শিল্পী সমীকৰণ ঘটিছে তাৰ পৰিচয় আছে হেমন্ত মিশ্ৰৰ অধিকাংশ লেণ্ডস্কেপত, আৰু আছে মানুহ অসমৰ সাধাৰণ মানুহ-সিহঁতৰ প্ৰাত্যহিক জীৱনৰ বাস্তৱ অস্তিত্ব লৈ সুপ্ৰতিষ্ঠ হৈ। — পোনপটীয়া জীৱনৰ পাঠশালাৰ পৰা কিছু শিক্ষা গ্ৰহণৰ সুযোগ লোৱাৰ ফলত, তেওঁৰ মাজত এই সজীৱতা মূৰ্তমান হৈ উঠিছে' বুলি কৈছে বংগদেশৰ আন এজন বিখ্যাত কলা সমালোচকে।

নতুন দিল্লীৰ ষ্টেট্‌ছমেনৰ সমালোচকৰ মতে— *'Hemanta Misra is an artist of entirely different type.'*

এই 'ডিফাৰেণ্ট টাইপ' হোৱাত হেমন্ত মিশ্ৰৰ কলা-সৃষ্টিক বহু সময়ত সম্যকৰূপে উপলব্ধি কৰা টান হৈ পৰে সেইসকলৰ - যি সকলে একেবাৰে পাশ্চত্য কিম্বা একেবাৰে প্ৰাচ্য অংকন পদ্ধতি ব্যৱহাৰ কৰে। হেমন্ত মিশ্ৰ *fanatic* নহয়। একেবাৰে শান্তিনিকেতনী বা একেবাৰে ইটালীয় বা ইংৰাজী পদ্ধতিৰ ভৃত্য হৈ নাথাকি মিশ্ৰই পৰীক্ষামূলকভাৱে পৰিশ্ৰম কৰি নিজৰ প্ৰকাশ-ভংগিমা এটি বিচাৰিছে আৰু এতিয়া বহু দূৰ সাফল্য লভিছে। এই প্ৰচেষ্টাৰ কথা ষ্টেট্‌ছমেনৰ দৰে কাকতে ভাল পাই কৈছে - *'It is delightful occasionally to see paintings uninhibited by the dead hand of Santiniketan and the Ajanta copyists or the sentimentality of English Edwardianism'.*

কোনো এদলে মিশ্ৰৰ পদ্ধতি 'সম্পূৰ্ণ ভাৰতীয়' নহয় বুলি সমালোচনা কৰিব খোজে। মিশ্ৰই ভাৱে *An artist must live with his time and its changes.*

এই বিষয়ে সাহিত্যিক আৰু কলা সমালোচক গোপাল হালদাৰে ভাল কথা কৈছে - 'হেমন্ত মিশ্ৰৰ প্ৰধান আশ্ৰয় তেওঁৰ আন্তৰিকতা, সৰস জীৱন নিষ্ঠা আৰু স্বাভাৱিক শিল্প শক্তি। তেওঁৰ আংগিক আৰু ভংগী তেওঁ স্বয়ং আৱিস্কাৰ কৰিছে সচেষ্টভাৱে। তথাকথিত 'পাশ্চাত্য আৰু তথাকথিত 'ভাৰতীয়' ঐতিহ্যসম্মত নহয় বুলি ষ্টেট্‌ছমেনৰ সমালোচক যদি উল্লসিত হয় হওঁক, অমৃতবাজাৰ পত্ৰিকাৰ সমালোচনক ক্ষুব্ধ যদি হয় -হওঁক। হেমন্ত মিশ্ৰই অসম আৰু অসমৰ জীৱনক গ্ৰহণ কৰিব তেওঁৰ নিজস্ব শক্তিৰে সেয়েই যথেষ্ট।'

আজি আমাৰ অসমৰ হেমন্ত মিশ্ৰই ভাৰতৰ কলা জগতত হোৱা ন ন প্ৰচেষ্টাৰ ধাৰাক পুষ্ট কৰি তুলিব পৰাটো গোটেই অসমৰেই গৌৰৱ।

মিশ্ৰ, অসমৰ কলা জগতৰ কথা আপুনি কি ভাৱে?

-শিক্ষা কেন্দ্ৰত সুকুমাৰ কলাৰ ব্যৱস্থা যেতিয়ালৈকে নহয়, তেতিয়ালৈকে উন্নতি হোৱাত বাধা আছে। গুণী ডেকা গাভৰু স্বভাৱ-শিল্পী হয়তো অসমত ওলাইছে। পিছে গণতান্ত্ৰিক *Guidance*ৰ আৱশ্যকতা আছে যি *Guidance*এ শিল্পীৰ অন্তৰ্নিহিত গুণাৱলী প্ৰস্ফুটিত কৰি তুলিব পাৰে।

কি আঁকিব অসমৰ শিল্পীয়ে?

-কিয়, গোটেই অসম আৰু অসমৰ জীৱনবোৰ ধুনীয়া মডেল নহয় জানো!

-মিশ্ৰৰ সৈতে অৰ্থপূৰ্ণ আলোচনা কৰি সন্ধিয়া যেতিয়া তেওঁৰ ষ্টুডিঅ'ৰপৰা ওলাওঁ, তেতিয়া কলিকতাৰ আকাশখনো অলপ আগতে দেখি অহা মিশ্ৰৰ কেনভাছ এখনৰ দৰে যেন লাগিছিল।



# HEMANTA MISRA

## the Surrealist Painter

PRODOSH DAS GUPTA

That evening is still fresh in my memory when I first met Hemanta Misra, the young artist from Assam, during one of our Calcutta Group shows about two decades ago. Hemanta, with his unkempt hair, baggy trousers and thin-built body appeared to me more a revolutionary than an artist. He hardly spoke anything. But, on my persistent request he agreed to show me some of his drawings and paintings. His drawings validated my assessment of him as a revolutionary. His drawings showed the stamp of his uneasy and restless mind trying to force a way of expression which can be termed as violent. His paintings, on th,e other hand, did not show any such attitude and were rather docile in temperament in contradiction to his own drawings which should have been actually the basis of his paintings. In some of his paintings, however, the impressionistic nature of expression was vivid although the colours were not so luminous and vibrant. On the extraordinary strength of his drawings alone Hemanta Misra was elected as a member of the Calcutta Group soon after. The gleam of the promise in him justified this election.

It will not be far from truth to say that Hemanta Misra is the sole representative of his native State, Assam, in the domain of art. But in his early days'when he finally chose to become an artist he found no scope for his training in this field in Assam, as there was no art school there; nor was there any dependable art teacher under whom he could learn the methods and techniques of painting. Young Hemanta was not to be deterred or defeated in his endeavour to become an artist. Following up an advertisement in a foreign journal he finally started a correspondence course of training from the late John Hassall R. I. of England. Although this did not have much impact on the young mind of Hemanta, it helped him a good deal to find a basis for the start. The rigours of the academic methods of the British School of that time helped build up the foundation brick by brick and layer by layer. Obviously, this kind of process of training is slow, but nonetheless steady. The drawings and sketches mentioned earlier were the result of such a training.

His colour compositions of this period were mostly of scenic views-bare landscapes or workers shown with a backdrop of landscape where the figures were subordinated to the environmental situations and treated as objects like trees and stones complementing each other and finally merging towards a harmonious whole. In this early phase of his artistic career, Misra had to make a diversion in the commercial field, designing posters and illustrating books. And this is nothing peculiar. Any artist of our country and for that matter any artist of any country in the world has to experience this diversion to make a living. This has both good and bad effects. In the case of Misra, the experience in the commercial field made his drawings more sharp and accurate which to my mind helped him ultimately to work with a sense of precision and correct judgement in making images with objects in nature in their meticulously accurate form. His rock is stony hard, clouds feathery light and water as liquid as that of a summer lake.

The second phase of Misra's artistic career started in the year 1952 in the so-called cubist manner. But his objects here never showed any sense of inner dimension. They rather floated on the surface, often dressed' up in a decorative manner which is more akin to Gaganendranath's paintings of the later phase, although with a difference. Both were mystic in their approach and both revelled in going beyond the reality and searching for something in the unknown world. But whereas Gaganendranath often succeeded in his attempt to penetrate far into the mystic region giving a pictorial meaning to this mysticism, Misra could not always go so deep and, as it appears, remained satisfied in making a rhythmic pattern of floating movements with definite shapes and defined objects without allowing them to overlap or merge into the atmosphere. The key note of Gaganendranath's paintings on the other hand is this overlapping of the hazy objects and their final merging into the atmosphere.

. Misra worked in this style of expression for a little short of a decade and from 1959 this background of seemingly cubist style handled in a mystic manner gave him a new impetus in a synthesised form to depict mutilated or encrusted objects in nature in their utter clarity with meticulous detail which actually became meaningful symbols when integrated into the natural phenomena. They created a sense of poetry, a deeper and mystic meaning through the association having a direct psychological impact on the beholder. This inner meanmg is often inexplicable, but invariably the image creates an uncanny,

eerie feeling. This kind of delineation has a surrealistic meaning. Surrealistic expression is anti-reason and thus anti-rational. According to the surrealist philosophy, the absurd is ordered in a poetic or in a romantic way-poetry is suggested in the atmosphere where the objects are used as symbols. Thus a piece of stone can have a pair of wings to fly with, a decaying tree can have a pair of hands to embrace, a headless figure can playa flute.

Jean Arp, one of the stalwarts of the Dadaist and surrealist group who was both a sculptor and a poet expressed this tendency vividly in the following lines:

*"Night falls.*
*Suddenly in the nightl awake.*
*The birds sing.*
*Dawn breaks.*
*Liquid mountains float in the air.*
*I open my eyes and go to sleep.*
*Upright in the place blanche*
*The cluster of stars is overcast with lips."*

Here, the poetry has created an image which has no meaning in the practical sense. But the words have been able to conjure up a meaning in a symbolic Way through association. We know that mountains are never liquid and can never float in the air. Similarly, the expression "cluster of stars isovercast with lips" is sheer nonsense. Yet, the poetic value never suffers due to it. It has carved out a different value for itself which cannot be ignored..

Misra's painting rests somewhere between Salvador Dali's and Max Ernst's with a definite leaning towards Ernst. This will be evident from Misra's "Pursuing the Fading God", "A Mirage from Absent Skies", "Thoughts Upon the Silent Air" and "Spirit had Fled", where we find him taking the help of some encrusted form either in the shape of a mountain, a rock or architectural structure. These he uses as symbols for creating an image of decaying time. If we compare them with one of Ernst's paintings,"Europe After the Rain", which had a direct bearing on decalcomanic illusion of mineral and organic deposit, Ernst's influence will become obvious. Writing about the poetic possibilities of decalcomania in surrealism, William S. Rubin. says: "Oscar Dominguez was the first to exploit the possibilities of decalcomania. By spreading gouache an a sheet of paper, laying another sheet on top of it, pressing here and there and then peeling. the second sheet off, he produced effects suggesting exotic flora, mineral deposits, spongy growths-a veritable spelunker's dream. The fantasies generated by this technique recommended it immediately to other surrealists and, as it was a way of image-making that required no technical ability, it was immediately adopted by the poets as well as the painter. In order to achieve more contoured, defined images, Dominguez and Marcel Jean also experimented with the use of stencils in conjunction with decalcomania but it was only with Ernst's adaptation of the technique to oil painting in such fantastic landscapes as "Europe After the Rain" that the poetic possibilities, of decalcomania were realised as significant art."

This influence of Ernst however gave Misra sufficient impetus as well as courage to turn ultimately to a new poetic vocabulary of his own as in his "Echo of a Song" and "Verse an Fire". His flights of fantasy are boundless. Yet the juxtaposed objects painted in luminous colours and placed in the atmosphere always carry with them a pictorial meaning of their own which is image-bound and poetry-oriented. Misra's application of colours for creating such an expression of surrealism is unique. His colours merge into the atmosphere without crying out for separate existence of their own. This abstracted harmony of colour plus the inner content of a mystic message build up his painting to a fruitful meaning. The accentuated highlights on the objects against the dark shadows here and there endow the objects with a mysterious life as is evident in his two paintings just mentioned. Here again, we find Misra being influenced by Salvador Dali. As a matter of fact, Dali got this idea of handling the highlights and shadows with a typical accent on his objects which gave them a halo of apparitional luminosity, while he was immersed in following Meissonier in making a statement in academic realism in his very early days. In both the paintings of Misra- "Echo of a Song" and "Verse on Fire"-we find the same typical accent on highlights and shadows on the objects, particularly visible on the trees and shells of the "Echo of a Song" and on the fire of "Verse on Fire". Dali's remarkable use of the technique can be found in his works dating from 1929- "Imperial Monument to the Child-Woman", "The Spectre of Sex Appeal", "The Invisible Man", "Illuminated Pleasures", "Accommodation of Desire", etc.

The revolutionary spirit of the Dada movement led by Dali in breaking up the existing political, . social and artistic norms found its repose ultimately in surrealism in a constructive way justifying the unreasoned, irrational absurdities in images of form and colour infused with a sense of poetry. Similarly, the early revolutionary urge which was the starting point of Misra's artistic career and noticeable in his drawings was subdued and energised through a more sympathetic and constructive policy and found its ultimate repose in his paintings of surrealistic nature. Here, Misra's identification has been sincere and complete.

# HEMANTA MISRA


Born in Sibsagar. Assam, 1947 Art Advisor, 1st Assam Hills and Plains People's Exhibition, Assam. Worked as a staff artist in the military. Senior artist, Directorate of Information and Publicity, Govt. of Assam. Member, AIFACS, New Delhi. Executive Committee member, Academy of Fine Arts, Calcutta. Selection and Judging Committee member, All India Annual Exhibition, Calcutta. 1950 Illustrated Book of Rhymes. book in Assamese. 1953 Elected member. Calcutta Group. Calcutta. 1974 Illustrated Bharatiya Chitrakala, book in Assamese. 1978 Conducted Workshop, Lalit Kala Akademi, Manipur. 1980 His biography is in the Dictionary of International Biography, Cambridge. 1984 Illustrated Roopar Antare Roop, book in Bengali. 1986, 91 His biography is in the American Biographical Institute's Publications. 1989 Illustrated Roopar Antarat Roop. a collection of poems with the artist's own drawings, in Assamese. 1990 Illustrated Dikhow Luit o Sagar, book in Bengali. Honoris Causa, Dibrugarh University. Assam. Worked initially at Shillong and Guwahati and then in Kolkata. At present living in Guwahati.

## EDUCATION

Educated at Cotton College and St. Edmund's College, Assam. Studied art under John Hassall, St. Albans, England.

## EXHIBITIONS

1952, 1959,67.76 Solo exhibition, Calcutta.
1965 Solo exhibition. Shridharani Gallery, New Delhi.
1965,66 Solo exhibition, sponsored by the Board of Union of Painters of USSR, Moscow.
1968 1st International Triennale, Lalit Kala Akademi, New Delhi.
1969 Solo exhibition, AIFACS, New Delhi.
1970 Solo exhibition, Bombay.
1973 Solo exhibition, Birla Academy of Art and Culture, Calcutta.
1973 Solo exhibition. inaugurated by Cap. Sompop Piromya, Director General of the Dept. of Fine Arts of Thailand, sponsored by Indian Embassy and the British Council, Bangkok.
1976 Solo exhibition, inaugurated by Fakhruddin Ali Ahmed, AIFACS, New Delhi.
1977 Solo exhibition, organised by Dibrugarh University, Dibrugarh.
1979 Solo mobile exhibition, sponsored by Academy of Fine Arts, Calcutta.
1982 Solo exhibition, Academy of Fine Arts, Calcutta.
1983,88 Retrospective exhibition, Academy of Fine Arts, Calcutta.
1994 Retrospective exhibition, organised by Assam Branch of Indian Tea Association, Guwahati.




## COLLECTION

National Gallery of Modern Art, New Delhi. Academy of Fine Arts. Kolkata.
Rabindra Bharati University Museum, Kolkata.
State Art Gallery, Guwahati.
State Art Gallery, Guwahati.
Dibrugarh University, Dibrugarh.
Museum of Oriental Culture, Moscow.
British Council, Bangkok.
Delhi Art Gallery, New Delhi.

## AWARDS


Honoured by Asom Sahitya Sabha and AIFACS. New Delhi.



**The Big Log**, Pen and Ink, 57 cm x 35 cm, 1945



**Net I**, Oil on Board ,50 cm x 39 cm. 1961



**Moving Horns** ,Oil on Board, 49 cm x 33 cm, 1959



**Cracked Mirror,**Oil on Canvas, 88 cm x 63 cm,1970

Design: IDEA Creative Art, 94351 46285,98640 93139